নং ঃ ২১৫/২০২১

**অসম ষ্টাৰ্ট-আপৰ ক'হ'ৰ্ট ৩.০ আৰু ট্ৰেইলব্লাজাৰ্ছ ২.০ শুভাৰম্ভ কৰিলে মুখ্যমন্ত্ৰীয়ে**

# ষ্টাৰ্ট-আপসকলক সহায় কৰাৰ বাবে উদ্যোগ আৰু বাণিজ্য বিভাগে নতুন ঔদ্যোগিক নীতি গ্ৰহণ কৰিব লাগিব ঃ মুখ্যমন্ত্ৰী

**দিছপুৰ, ১৬ আগষ্ট ঃ** মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজি অসম ষ্টাৰ্ট-আপ দ্য নেষ্ট (ইনকুবেশ্যন চেণ্টাৰ)ৰ ক'হ'ৰ্ট ৩.০ আৰু ট্ৰেইলব্লাজাৰ্ছ ২.০ কাৰ্যসূচীৰ শুভাৰম্ভ কৰে। অসম ষ্টাৰ্ট-আপ নীতি ২০১৭ৰ অধীনত স্থাপন কৰা দ্য নেষ্টে উদীয়মান উদ্যোগীসকলক তেওঁলোকৰ ষ্টাৰ্ট-আপৰ সপোন বাস্তৱায়িত কৰাৰ এক অনুকূল পৰিৱেশ প্ৰদান কৰি অহাৰ উপৰি অসমৰ অৰ্থনৈতিক উন্নয়নতো অৰিহণা যোগাই আহিছে।

অনুষ্ঠানত ভাষণ প্ৰদান কৰি মুখ্যমন্ত্ৰী ড° শৰ্মাই কয় যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে তেখেতৰ স্বাধীনতা দিৱসৰ ভাষণত ষ্টাৰ্ট-আপৰ দ্বাৰা পৰিচালিত অৰ্থনৈতিক ভৱিষ্য দৰ্শনৰ কথা উল্লেখ কৰিছে যাতে ব্যাপক সংস্থাপন সৃষ্টিৰে দেশৰ অৰ্থনৈতিক প্ৰগতি তথা বিকাশত অৰিহণা যোগাব পৰা যায়। প্ৰধানমন্ত্ৰীৰ এই সপোন নেষ্টৰ লেখীয়া ইনকুবেশ্যন চেণ্টাৰৰ জৰিয়তে বাস্তৱায়িত কৰিব পৰা যাব বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰী ড° শৰ্মাই কয় যে ইয়াৰ জৰিয়তে যুৱক-যুৱতীসকলে নিজে চাকৰি বিচৰাতকৈ নিজৰ অধীনত চাকৰি সৃষ্টিৰ দিশত অৰ্থৱহ অৰিহণা আগবঢ়াব পাৰিব। দ্য নেষ্টৰ জৰিয়তে ৩৯ সংখ্যক ষ্টাৰ্ট-আপে চৰকাৰী সাহায্য লাভ কৰিবলৈ সক্ষম হৈছে আৰু সৰ্বমুঠ ৪২ কোটি টকাৰ ৰাজহ লাভ কৰিবলৈ এই প্ৰতিষ্ঠানে সক্ষম হৈছে বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰী ড° শৰ্মাই সফলতা লাভ কৰা ষ্টাৰ্ট-আপসমূহক অভিনন্দন জ্ঞাপন কৰাৰ উপৰি অসমৰ এই যুৱ উদ্যোগীসকলক ৰাষ্ট্ৰীয় তথা আন্তঃৰাষ্ট্ৰীয় স্তৰত বৃহৎ সাফল্য লাভৰ পথ প্ৰশস্ত কৰাৰ বাবে অহোপুৰুষাৰ্থ কৰাৰ আহ্বান জনায়। ষ্টাৰ্ট-আপ পাৰিপাৰ্শ্বিক অৱস্থা এটা অসমত আৰম্ভ কৰাৰ বাবে দ্য নেষ্টে লোৱা পদক্ষেপৰো মুখ্যমন্ত্ৰীয়ে শলাগ লয়।

ভাষণ প্ৰসংগত মুখ্যমন্ত্ৰীয়ে ভাৰতবৰ্ষৰ ৭৫ সংখ্যক স্বাধীনতা দিৱসৰ লগত সংগতি ৰাখি উদ্যোগীসকলক সহায় কৰাৰ বাবে এখন নতুন ঔদ্যোগিক নীতি-২০২১ প্ৰস্তুত কৰাৰ বাবে উদ্যোগ আৰু বাণিজ্য বিভাগক পদক্ষেপ ল'বলৈ মুখ্যমন্ত্ৰীয়ে কয়। ষ্টাৰ্ট-আপত বেংকসমূহে বিনিয়োগ কৰাৰ দিশত অনিহা প্ৰকাশৰ দিশটো উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে ঔদ্যোগিক নীতিৰ জৰিয়তে ষ্টাৰ্ট-আপক চৰকাৰে সামৰ্থতা প্ৰদান কৰিলে বিত্তীয় প্ৰতিষ্ঠানসমূহে ষ্টাৰ্ট-আপত বিনিয়োগ কৰাৰ বাবে আগ্ৰহী হৈ উঠিব।

ষ্টাৰ্ট-আপসকলক ৰাজ্যখনৰ ভোত জলকীয়া, চাহ, কাজি নেমু, জহা চাউল ইত্যাদিৰ লেখীয়া কৃষিজাত সামগ্ৰীৰ ওপৰত বিশেষ গুৰুত্ব প্ৰদানৰ বাবে আহ্বান জনাই মুখ্যমন্ত্ৰী ড° শৰ্মাই ৰাজ্যখনৰ কৃষি-উদ্যানজাত খণ্ড শক্তিশালীকৰণ তথা এই দিশত ৰাজ্যখনে বহন কৰা সম্ভাৱনীয়তাসমূহৰ পূৰ্ণ বিকাশ

সাধনৰ দিশত মনোনিৱেশ কৰিবলৈ আহ্বান জনায়। পাৰিপাৰ্শ্বিক অনুকূল উপাৰ্জনৰ সা-সুবিধা বৃদ্ধিৰ বাবে ষ্টাৰ্ট-আপৰ জৰিয়তে বনগাঁওসমূহত বসবাস কৰা জনসাধাৰণেও উপকৃত হ'ব পাৰে বুলি মুখ্যমন্ত্ৰীয়ে কয়।

অনুষ্ঠানত মুখ্যমন্ত্ৰী ড° শৰ্মাই কিছুসংখ্যক যুৱ ষ্টাৰ্ট-আপৰ স্বত্বাধিকাৰীসকলৰ সৈতে মত-বিনিময় কৰাৰ উপৰি তেওঁলোকে কৰা উৎপাদনৰ নমুনা তথা ব্যৱসায়িক ধাৰণাসমূহৰ বিষয়েও বুজ লয়।

অনুষ্ঠানত ভাষণ প্ৰদান কৰি উদ্যোগ আৰু বাণিজ্য বিভাগৰ মন্ত্ৰী চন্দ্ৰমোহন পাটোৱাৰীয়ে কয় যে আছাম ষ্টাৰ্ট-আপ ইনকুবেশ্যন চেণ্টাৰে সফলতাৰ দিশত এক বৃহৎ খোজ পেলাবলৈ সক্ষম হৈছে। ষ্টাৰ্ট-আপৰ প্ৰশিক্ষাৰ্থীসকলক সহায়-সহযোগিতা আগবঢ়াবৰ বাবে ৰাজ্যিক তথা কেন্দ্ৰীয় ৰাজহুৱা প্ৰতিষ্ঠানৰ সৈতে যোগাযোগ চলাই থকা হৈছে বুলিও তেওঁ কয়।

আজিৰ এই অনুষ্ঠানত উদ্যোগ আৰু বাণিজ্য বিভাগৰ প্ৰধান সচিব কে কে দ্বিবেদী, আই আই এম কলকাতা ইন'ভেশ্যন চেণ্টাৰৰ মুখ্য কাৰ্যবাহী বিষয়া শুভ্ৰাংশু স্যান্যালেও বক্তব্য প্ৰদান কৰে।

**স্বাক্ষৰ / বঃভাঃ**
**১৬/০৮/২০২১**